Total No. of Printed Pages—3

**3 SEM TDC GEAS (CBCS) GE 3**

# 2021

( Held in January/February, 2022 )

## ASSAMESE

( Generic Elective )

Paper : GE–3

( অসমীয়া ভাষাৰ শিক্ষণ পদ্ধতি )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) ভাষা বুলিলে কি বুজাঁ? ভাষা শিক্ষণৰ গুৰুত্বৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৭+৭=১৪

*অথবা*

(খ) ভাষা শিক্ষণৰ উদ্দেশ্যসমূহৰ বিষয়ে এটি আলোচনা কৰাঁ। ১৪

২। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্বন্ধে প্ৰচলিত মতকেইটা আলোচনা কৰাঁ। এই মতকেইটাৰ ভিতৰত কোনটো মতবাদ তুমি গ্ৰহণীয় বুলি ভাবা, আলোচনা কৰাঁ। ৮+৮=১৬

*অথবা*

(খ) অসমীয়া ভাষাৰ স্বৰবৰ্ণকেইটাৰ এখন তালিকা প্ৰস্তুত কৰাঁ। লগতে আখৰৰ লগত স্বৰবৰ্ণকেইটাৰ পাৰ্থক্য দেখুওৱাঁ। ৮+৮=১৬

৩। (ক) ব্যাকৰণ শিক্ষাৰ আৱশ্যকতা কেনেধৰণৰ? ব্যাকৰণ শিক্ষাদানৰ লগত জড়িত সমস্যাৰ বিষয়ে এটি আলোচনা কৰাঁ। ৭+৭=১৪

*অথবা*

(খ) ব্যাকৰণ শিক্ষাৰ বিভিন্ন পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ। ১৪

৪। (ক) অসমীয়া ব্যঞ্জন বৰ্ণমালাৰ আখৰবোৰ উচ্চাৰণ কৰোঁতে কিয় আৰু কেনেধৰণৰ অসুবিধা হয়, আলোচনা কৰাঁ। ১৪

*অথবা*

(খ) আখৰ জোঁটনি মানে কি? আখৰ জোঁটনিত ভুল হোৱাৰ কাৰণসমূহ আলোচনা কৰাঁ। ৪+১০=১৪

৫। চমু টোকা লিখাঁ (যি কোনো দুটা) : ৭+৭=১৪

(ক) দ্বিতীয় ভাষা হিচাপে অসমীয়া ভাষা শিকাৰ উদ্দেশ্য

(খ) অসমীয়া ভাষা আয়ত্ত কৰাৰ সহায়ক দিশ

(গ) অসমীয়া শব্দভাণ্ডাৰৰ ভাগ

(ঘ) গঠন অনুসৰি অসমীয়া বাক্যৰ ভাগ

৬। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) হ্ৰূত চাপৰি ভাষাৰ ভিতৰত পৰেনে?

(খ) ণত্ববিধিৰ নিয়ম প্ৰযোজ্য নোহোৱা এটা শব্দ লিখাঁ।

(গ) অসমীয়াত স্বৰৰ অনুনাসিকতা বৰ্ণগত হয়নে?

(ঘ) 'চেনি' শব্দটো কোন ভাষাৰ পৰা অহা?

(ঙ) 'নিকা অসমীয়া ভাষা'ৰ ৰচক কোন?

(চ) অসমীয়া ভাষাৰ এখন ব্যাকৰণৰ নাম লিখাঁ।

(ছ) এটা সৰল বাক্যৰ উদাহৰণ দিয়াঁ।

(জ) "পৰিশ্ৰমী মানুহৰ স্বাস্থ্য ভালে থাকে।" বাক্যটো জটিল বাক্যলৈ সলনি কৰাঁ।

★★★